# আধুনিক অসমীয়া ভাষা-সাহিত্যৰ বিকাশত ‘বাঁহী’ আলোচনীৰ ভূমিকা

**গীতা হাজৰিকা**

**সাৰাংশ ঃ**

আধুনিক অসমীয়া ভাষা-সাহিত্যৰ বিকাশ আৰু সমৃদ্ধিত আলোচনীৰ ভূমিকাই সৰ্বাধিক। ১৮৪৬ চনত প্ৰকাশিত ‘অৰুনোদই’ বাৰ্তালোচনীয়েই অসমীয়া ভাষাৰ প্ৰথমখন আলোচনী। এই আলোচনীখনৰ পাততে আধুনিক অসমীয়া সাহিত্যৰ বাট মুকলি হয়। ইয়াৰ পৰৱৰ্তী জোনাকী, বিজুলী, ঊষা, বাঁহী আদি আলোচনীয়ে অসমীয়া সাহিত্যত ন ন ধাৰাৰ সংযোজনেৰে আধুনিক অসমীয়া সাহিত্যৰ বিকাশত বিশেষ ভূমিকা গ্ৰহণ কৰে। বিংশ শতিকাৰ প্ৰাৰম্ভিক কালছোৱাত অসমীয়া সাহিত্যৰ বিকাশত যিকেইখন আলোচনীয়ে ভূমিকা গ্ৰহণ কৰিছিল তাৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱা সম্পাদিত ‘বাঁহী’ আলোচনীৰ ভূমিকাই অধিক। এই আলোচনাত আধুনিক অসমীয়া ভাষাৰ ৰূপ গঠনত ‘বাঁহী’ আলোচনীয়ে কিদৰে সহায় কৰিছিল বা ভূমিকা লৈছিল তাৰ বিষয়ে অনুসন্ধান কৰা হৈছে। ভাষাৰ লগতে আধুনিক অসমীয়া সাহিত্যৰ বিকাশত আলোচনীখনে আগবঢ়োৱা অৱদানৰ বিষয়েও ইয়াত অধ্যয়ন কৰা হৈছে। ঐতিহাসিক, সমীক্ষাত্মক পদ্ধতিৰে এই অধ্যয়ন কৰা হৈছে।

**বীজ শব্দ ঃ** আধুনিক অসমীয়া সাহিত্য, বাঁহী আলোচনী, আধুনিক অসমীয়া ভাষা।

---

*লেখিকা সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ,*
*দিখৌমুখ মহাবিদ্যালয়, মগ্‌লৌ, শিৱসাগৰ*
*মেইল ঃ gitahazarika2020@gmail.com*

**০.০ অৱতৰণিকা ঃ**

ঊনবিংশ শতিকাৰ সময়ছোৱা অসমীয়া সমাজ আৰু সভ্যতাৰ বিকাশ লাভৰ ক্ষেত্ৰত বিশেষ ঘটনাবহুল সময়। বিভিন্ন সৰু-বৰ ঘটনা-পৰিঘটনাৰ প্ৰভাৱে ঊনবিংশ শতিকাৰ অসমৰ সামাজিক জীৱন চৰ্যাক যিদৰে নতুন পৰিসৰ প্ৰদান কৰিছিল, সেইদৰে সেই পৰিসৰৰ পটভূমিত অসমীয়া ভাষা-সাহিত্য তথা সাংস্কৃতিক জীৱনবোধৰো পৰিৱৰ্তন ঘটিছিল। শতিকাটোৰ প্ৰথম দশকৰপৰা অসমত দেখা দিয়া ৰাজনৈতিক অস্থিৰতা, সামাজিক স্থবিৰতা, অৰ্থনৈতিক অৱক্ষয়ে বৌদ্ধিক পৃষ্ঠভূমি নিৰ্মাণত অন্তৰায় হিচাপে থিয় দিছিল। সেই সময়তে আমেৰিকান মিছনেৰীসকলৰ আগমন আৰু অসমীয়া ভাষাত ধৰ্মকথাৰ চৰ্চা এক তাৎপৰ্যপূৰ্ণ ঘটনা। এই সংঘটনে অসমত এক নব্য দৃষ্টিভংগীযুক্ত বৌদ্ধিক বাতাবৰণৰ সূচনা কৰে। অসমত খ্ৰীষ্টধৰ্ম প্ৰচাৰ কৰিবলৈ অহা মিছনেৰীসকলে শিৱসাগৰত ছপাশাল প্ৰতিষ্ঠা কৰি ১৮৪৬ চনত 'অৰুণোদয়' সংবাদপত্ৰ' বা 'আলোচনী' উলিয়ায়। এই আলোচনীখন প্ৰকাশৰ অন্তৰালত একান্তই ধৰ্মীয় উদ্দেশ্য নিহিত হৈ আছিল। কিন্তু সেয়ে হ'লেও অসমীয়া ভাষা-সাহিত্যৰ আধুনিকীকৰণৰ প্ৰথম প্ৰয়াস এই আলোচনীখনৰ পাততে আৰম্ভ হয়। আধুনিক অসমীয়া সাহিত্যৰ বিভিন্ন সংৰূপ, যেনে- নাটক, জীৱনী, উপন্যাস, অনুবাদ, ভ্ৰমণ কাহিনী আদি লিখাৰ ধাৰাও এই আলোচনীয়েই আৰম্ভ কৰে। অৰুণোদয়ে আৰম্ভ কৰা সাহিত্যৰ বিভিন্ন ধাৰাবোৰে ইয়াৰ পৰৱৰ্তী 'আসাম-বন্ধু', 'আসাম-বিলাসিনী', 'মৌ', 'জোনাকী', 'বিজুলী', 'ঊষা', 'বাঁহী' আদিত ক্ৰমবৰ্দ্ধমান ৰূপত বিকাশ লাভ কৰে আৰু এই আলোচনীসমূহে অসমীয়া সাহিত্যলৈ ন ন ধাৰাৰ আগমণ ঘটায়। অসমীয়া সাহিত্যলৈ নতুন নতুন ধাৰা, ভাব, ৰূপৰ আমদানিৰে অসমীয়া সাহিত্যৰ নৱনিৰ্মাণত আলোচনীসমূহে বিশেষ ভূমিকা পালন কৰে।

**০.১ বিষয়ৰ পৰিচয়**

বিংশ শতিকাৰ প্ৰাৰম্ভিক কালছোৱাত যিকেইখন সাহিত্যালোচনীয়ে অসমীয়া সাহিত্যক বিকশাই তুলিছিল তাৰ ভিতৰত 'বাঁহী'ৰ ভূমিকাই সৰ্বাধিক। ১৯০৯ চনত প্ৰকাশ পোৱা 'বাঁহী' আলোচনীয়ে অসমীয়া ভাষা-সাহিত্যৰ আধুনিকীকৰণত বিশেষ ভূমিকা পালন কৰা দেখা গৈছে। ১৯০৯ চনৰপৰা ১৯৩৮ চনলৈ লক্ষ্মীনাথ বেজবৰুৱাৰ সম্পাদনাত 'বাঁহী' প্ৰকাশ পাই আছিল। বেজবৰুৱাৰ মৃত্যুৰ পিছত তেওঁৰ ভতিজাক মাধৱচন্দ্ৰ বেজবৰুৱা আৰু অমিয়কুমাৰ দাসৰ সম্পাদনাত ১৯৪৫ চন পৰ্যন্ত 'বাঁহী' চলি আছিল। 'বাঁহী'ক ঘাইকৈ লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্যিক ব্যক্তিত্বই নিয়ন্ত্ৰণ কৰি আছিল। 'জোনাকী' আৰু 'বাঁহী' এই দুয়োখন আলোচনীৰ জৰিয়তে বেজবৰুৱাই আধুনিক অসমীয়া সাহিত্যৰ এক সুনিৰ্দিষ্ট ভেটি নিৰ্মাণ কৰি গৈছে। বেজবৰুৱা আছিল অসমীয়া ভাষা, সাহিত্য, সংস্কৃতি, সমাজ, জাতীয় স্বাৰ্থ এই আটাইবোৰৰে পহৰাদাৰস্বৰূপ। অসমীয়া আখৰ-জোঁটনিয়ে এটা স্থিৰ ৰূপ লোৱাত 'বাঁহী'য়ে বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। আৰু এইক্ষেত্ৰত সম্পাদক বেজবৰুৱাই বিশেষ ভূমিকা লৈছিল। ধৰ্ম, দৰ্শন, সমাজ, সংস্কৃতি,

ভাষা, ইতিহাস, পুৰণি সাহিত্যৰ মূল্যায়ন, গ্ৰন্থ সমালোচনা আৰু কৃপাবৰী ৰচনাৰে সমৃদ্ধ হৈ প্ৰকাশ পোৱা বাঁহীয়ে যথাৰ্থতে অসমীয়া সাহিত্যৰ আধুনিক যুগটোক পূৰ্ণতা প্ৰদান কৰে।

**০.২ অধ্যয়নৰ উদ্দেশ্য**

১. আধুনিক অসমীয়া সাহিত্যৰ ইতিহাসত বাঁহীৰ অৱদান বিচাৰ কৰা।

২. অসমীয়া ভাষা-সাহিত্যৰ আধুনিকীকৰণত বাঁহীৰ ভূমিকা বিচাৰ কৰা।

৩. আধুনিক অসমীয়া ভাষাৰ ৰূপ গঠনত বাঁহীৰ ভূমিকা অনুসন্ধান কৰা।

৪. আধুনিক অসমীয়া সাহিত্যত নতুন ৰূপ, বিষয়, ভাবৰ সংযোজনেৰে অসমীয়া সাহিত্যৰ বিকাশত লোৱা ভূমিকা বিচাৰ কৰা।

**০.৩ অধ্যয়নৰ পদ্ধতি**

এই পত্ৰখনত বিষয়ৰ অধ্যয়নৰ বাবে ঐতিহাসিক, সমীক্ষাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতিৰ প্ৰয়োগ কৰা হৈছে।

**০.৪ অধ্যয়নৰ পৰিসৰ**

আমাৰ অধ্যয়নৰ পৰিসৰত আধুনিক অসমীয়া সাহিত্যৰ উত্তৰণৰ সময়ছোৱাত বিশেষভাৱে বৰঙণি আগবঢ়োৱা 'বাঁহী' আলোচনীৰ বিষয়ে অধ্যয়ন কৰা হ'ব। এই অধ্যয়নত 'বাঁহী'ত প্ৰকাশিত সাহিত্যৰাজিৰ সাধাৰণ পৰিচয় দাঙি ধৰি বাঁহীয়ে অসমীয়া ভাষা আৰু সাহিত্যলৈ কোন কোন দিশৰপৰা, কেনেদৰে বৰঙণি আগবঢ়াইছিল তাৰ বিচাৰ কৰা হ'ব।

**১.০ আধুনিক অসমীয়া ভাষাৰ বিকাশত বাঁহীৰ ভূমিকা ঃ**

অসমীয়া ভাষাৰ প্ৰসাৰ আৰু উন্নতিৰ ক্ষেত্ৰত 'বাঁহী'য়ে বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। অসমীয়া ভাষাই যাতে এক শুদ্ধ ৰূপ পৰিগ্ৰহণ কৰিব পাৰে তাৰ প্ৰতি 'বাঁহী' তথা সম্পাদক বেজবৰুৱাই বিশেষভাৱে চকু দিছিল। 'বাঁহী'ৰ প্ৰথম বছৰ ১ম সংখ্যাত প্ৰকাশিত 'অসমীয়া ভাষাৰ সম্পৰ্কে আযাৰচেৰেক কথা' নামৰ প্ৰবন্ধত বেজবৰুৱাই কৈছে—'স্বদেশৰ আৰু স্বজাতিৰ উন্নতি আৰু মঙ্গল-মন্দিৰৰ সিংহদুৱাৰ হৈছে মাতৃভাষা। এনে মাতৃভাষাৰ সেৱক হৈ প্ৰগাঢ় ভক্তিৰে তাৰ কুশলৰ অৰ্থে নিজৰ এই নশ্বৰ দেহৰ সকলো ক্ষমতা সমৰ্পণ কৰি আমি এহাশুধীয়াভাৱে আমাৰ কৰ্ত্তব্য কাম কৰি গ'লে নিশ্চয় অচিৰতে মঙ্গলৰূপী উন্নতিৰ কিৰীটিয়ে আসাম আইৰ পবিত্ৰ মূৰ শোভা কৰিব।' (লক্ষ্মীনাথ বেজবৰুৱা, বাঁহী, ১ম বছৰ ১ম সংখ্যা, অসম সাহিত্য সভা, পৃ.৩২)সেয়ে বেজবৰুৱাই অসমীয়া মাতৃভাষাৰ উন্নতিৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল।

অসমীয়া ভাষাৰ আখৰ-জোঁটনি, উচ্চাৰণ-ৰীতি আদি বিষয়ক বহু চিন্তাশীল প্ৰবন্ধ 'বাঁহী'ত প্ৰকাশ পাইছিল। যিবোৰে অসমীয়া ভাষা সম্পৰ্কে জাতিটোক সচেতন কৰি তোলাৰ লগতে ভাষাটোৰ এটা শুদ্ধ ৰূপ লৈ উঠাটো অৰিহণা যোগাইছিল। বাঁহীত প্ৰকাশিত কুমুদেশ্বৰ বৰঠাকুৰৰ 'আখৰ জোঁটনিত উচ্চাৰণৰ প্ৰভাৱ' শীৰ্ষক প্ৰবন্ধত উচ্চাৰণৰ প্ৰতি গুৰুত্ব আৰোপ কৰা হৈছে। আখৰ-জোঁটনিত উচ্চাৰণৰ প্ৰভাৱ সম্পৰ্কে প্ৰবন্ধটোত এনেদৰে কোৱা হৈছে— 'আখৰ-জোঁটনিৰ লগত এটা জাতিৰ অধোগতি বা উন্নতিৰ সম্পৰ্ক আছে। অনা-অসমীয়া গায়িকাই 'কিয় তইনো আহিলি কুলি' নুবুলি 'ক্য তৈনু আহিল কুউলি' গালে আমি তাকে অনুকৰণ নকৰোঁ। কোনো কোনোৰ প্ৰভুত্বলৈ সেৱা জনাই আখৰ-জোঁটনিৰ আৰু দুৰ্গতি আনিলে তথা ভাৰতীয় সংস্কৃতিৰ পিছ পৰিলে গোটেই জাতিৰ অভিশাপ পুৰুষ-পৰম্পৰা ক্ৰমে ভুগিব লাগিব।' (২৬ শ বছৰ, ৩য় সংখ্যা)

বাঁহীৰ ১ম বছৰ ৩য় সংখ্যাত প্ৰকাশ পোৱা 'বৰ্ত্তমান' ভাষাৰ অৱস্থা' শীৰ্ষক প্ৰবন্ধত অসমীয়া আখৰ-জোঁটনি, উচ্চাৰণ, ব্যাকৰণ সম্বন্ধে বহু মূল্যৱান কথা প্ৰকাশ পাইছে। প্ৰবন্ধটিত অসমীয়া আখৰ-জোঁটনি সম্পৰ্কে এনেদৰে লিখা হৈছে, "অসমীয়া ভাষাৰ আলোচনা কৰিবলৈ যাওঁতে নতুন আখৰ-জোঁটনি, নতুন শব্দ উদ্ভাৱন, নতুন গঠনেৰে লিখা উলিয়াবলৈ যোৱাটো বৰ বেয়া। কিন্তু এই কথাও সঁচা যে যদিও হেমকোষ অভিধানে আমাৰ শব্দবিলাকৰ আখৰ-জোঁটনিৰ বাট উলিয়াই দিলে, তথাপি এনে বহুত শব্দ আছে যাৰ বিষয়ে আমি এতিয়াও থিৰাং হ'ব পৰা নাই। হেমকোষত থকা শব্দবিলাকৰ আখৰ-জোঁটনি সম্বন্ধে সকলো এক হ'ব লাগে। হেমকোষত যি আখৰ-জোঁটনি বান্ধি দিছে, তাত আমি আপত্তি কৰিব নালাগে আৰু হেমকোষৰ বাহিৰে যিবিলাক শব্দ আছে সেইবিলাকৰো এটা ভাল মীমাংসা কৰি সকলোৰে একে আখৰ-জোঁটনি গ্ৰহণ কৰিব লাগে।"(কুমুদেশ্বৰ বৰঠাকুৰ, 'আখৰ-জোঁটনিত উচ্চাৰণৰ প্ৰভাৱ', বাঁহী) প্ৰবন্ধটোত ব্যাকৰণৰ শুদ্ধতাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। শব্দ যিয়েই হওঁক ব্যাকৰণ শুদ্ধ নহ'লে সি যে গোটেই অশুদ্ধ সেই কথা প্ৰবন্ধটোত কেৱা হৈছে। সেই সময়ৰ পঢ়াশলীয়া পাঠ্যপুথিৰ বৈয়াকৰণিক ভুল-ভ্ৰান্তিও বাঁহীয়ে আঙুলিয়াই দি ভৱিষ্যতৰ ভাষাটোৰ এটা শুদ্ধ ৰূপ হোৱাত সহায় কৰিছিল। অসমীয়া ভাষাত যিবোৰ বিদেশী শব্দ সোমাই পৰিছে সেই শব্দবোৰৰ উচ্চাৰণ অনুসৰি আখৰ-জোঁটনি হ'ব লাগে বুলিও ইয়াত কোৱা হৈছে।

অসমীয়া ভাষা যে বাংলাৰপৰা পৃথক এক স্বকীয় ভাষা সেই সম্পৰ্কীয় আলোচনাই বাহীৰ ভালেসংখ্যক প্ৰবন্ধত প্ৰকাশ পাইছিল। 'অসমীয়া ভাষাৰ সম্পৰ্কে আৰু দুআষাৰমান কথা', 'বৰ্ত্তমান ভাষাৰ অৱস্থা', 'অসমীয়া ভাষা আৰু বঙালীৰ চকুত টোপনি' আদি প্ৰবন্ধত অসমীয়া ভাষাৰ স্বকীয়তাৰ কথা প্ৰকাশ পাইছে। বাঁহীৰ প্ৰকাশিত বিভিন্ন প্ৰবন্ধসমূহৰ লগতে আলোচনীখনৰ 'সম্পাদকৰ চৰা'তো ভাষা সম্পৰ্কীয় আলোচনাই ঠাই পাইছিল। বাঁহীৰ ১ম বছৰ ৪ৰ্থ সংখ্যাৰ সম্পাদক চৰা'ত সম্পাদক বেজবৰুৱাই অসমীয়া বৰ্ণবিন্যাস ৰীতি সম্পৰ্কে বেজবৰুৱাই লিখিছে—'হেমকোষ ওলাবৰ আজি কত বছৰ হ'ল। তাৰ বাহিৰে অসমীয়া ভাল লেখকসকলে অনেক পৰিশ্ৰম কৰি বৰ্ণবিন্যাসৰ এটা প্ৰণালী থিয়

কৰিছে। এনেস্থলত তালৈ চকু নিদি মইমতভাৱে লেখাৰ মানে কি আমি বুজিব নোৱাৰোঁ ।”(সম্পাদকীয় চৰা, বাঁহী, ১ম বছৰ ৪ৰ্থ সংখ্যা) অসমীয়া ব্যাকৰণ, বৰ্ণশুদ্ধিৰ কথাও ইয়াত প্ৰকাশ পাইছে।

এইবোৰৰ উপৰিও অসমীয়া ভাষাৰ প্ৰসাৰ আৰু উন্নতিৰ অৰ্থে বাঁহীত আন বহুতো মূল্যৱান প্ৰবন্ধ প্ৰকাশ পাইছিল। এইক্ষেত্ৰত ‘অসমীয়া ভাষাৰ অষ্ট্ৰিক অধঃস্তৰ’, ‘অসমীয়া ভাষা প্ৰচলন’, ‘অসমীয়া ভাষা আৰু বৰ্ণমালা সম্বন্ধে যৎকিঞ্চিৎ’, ‘গোৱালপাৰাত অসমীয়া ভাষা’, ‘লেৰেলা অসমীয়া ভাষাটো পিছত বলিশাললৈ উলিয়ালে কোনে?’ আদিৰ ভূমিকা নিঃসন্দেহে গুৰুত্বপূৰ্ণ। এনেদৰে ‘বাঁহী’য়ে অসমীয়া ভাষা সম্পৰ্কীয় বিভিন্ন লেখকৰ বহু চিন্তাশীল, গুৰুত্বপূৰ্ণ ৰচনাৰাজিৰে অসমীয়া ভাষাৰ উন্নতিৰ হকে অৱদান আগবঢ়াই গৈছে।

**২.০ আধুনিক অসমীয়া সাহিত্যৰ বিকাশত বাঁহীৰ ভূমিকা ঃ**

বাঁহীয়ে অসমীয়া সৃষ্টিশীল সাহিত্যৰ প্ৰকাশ আৰু প্ৰসাৰৰ ক্ষেত্ৰত বিশেষ অৰিহণা আগবঢ়াইছিল। গল্প, কবিতা, উপন্যাসৰ প্ৰকাশেৰে অসমীয়া সৃষ্টিশীল সাহিত্যক বাঁহীয়ে এক নতুন গতি প্ৰদান কৰিছিল। ব্যঙ্গাত্মক কবিতা, প্ৰবন্ধ, ব্যক্তিমুখী নিবন্ধ, মনোবিশ্লেষণাত্মক গল্প, প্ৰবন্ধ, দেশপ্ৰেমমূলক ৰচনা, স্ত্ৰীজাতিৰ প্ৰতিফলন, অসমীয়া সংস্কৃতি আৰু সাহিত্য সম্পৰ্কে চেতনাযুক্ত মনোভাবৰ প্ৰকাশ আৰু সংৰক্ষণ, সংস্কাৰকামী ৰচনা, অতীতৰ গৌৰৱময় ইতিহাসৰ মূল্যায়ন, অনুবাদ সাহিত্য, প্ৰকৃতি প্ৰেম, জাতীয় জাগৰণ, অতীতপ্ৰীতি, ভাষা সম্পৰ্কীয় আলোচনা আদি ভাষা-সাহিত্যৰ সকলো বিভাগতে বাঁহীত চিন্তাপূৰ্ণ ৰচনা প্ৰকাশ পাইছিল। ফলত বাঁহীত অসমীয়া ভাষা-সাহিত্যৰ এক সবল ভেটি নিৰ্মাণ হৈছিল।

**২.১ কবিতা ঃ**

কবিতাৰ দিশত বাঁহীৰ অৱদান প্ৰচুৰ। ‘বাঁহী’ৰ পূৰ্ববৰ্তী ‘জোনাকী’ কাকতত অঙ্কুৰিত হোৱা ৰোমাণ্টিক কবিতাৰ ধাৰাটোৱে ‘বাঁহী’ত সমৃদ্ধি লাভ কৰে। অসমীয়া ৰোমাণ্টিক কবিতাৰ দ্বিতীয় স্তৰ এই ‘বাঁহী’ৰ পাততেই আৰম্ভ হয়। যতীন্দ্ৰনাথ দুৱৰা, চন্দ্ৰকুমাৰ আগৰৱালা, দণ্ডিনাথ কলিতা, পদ্মাৱতী দেৱী ফুকননী, অম্বিকানাথ বৰা, তৰুণৰাম ফুকন, ঘনশ্যাম শৰ্মা, জ্ঞাননাথ বৰা, লক্ষ্মীধৰ শৰ্মা আদিৰ কবিতা বাঁহীত প্ৰকাশিত হৈছিল। তেনেদৰে আকৌ জ্যোতিপ্ৰসাদ আগৰৱালা, কমলাকান্ত ভট্টাচাৰ্য, লক্ষ্মীনাথ বেজবৰুৱা, দুৰ্গেশ্বৰ শৰ্মা, সূৰ্যকুমাৰ ভূঞা, বিনন্দচন্দ্ৰ বৰুৱা, ৰঘুনাথ চৌধাৰী, নলিনীবালা দেৱী আদি কবি হিচাপে প্ৰতিষ্ঠিত হোৱাত বাঁহীয়ে বিশেষ অৰিহণা আগবঢ়াইছিল।

**২.২ গল্প ঃ**

অসমীয়া চুটিগল্পলৈও বাঁহীৰ অৱদান প্ৰচুৰ। বাঁহীৰ ২৬শ বছৰ ১ম সংখ্যাত প্ৰকাশিত উমাকান্ত শৰ্মাৰ ‘ঘূৰণীয়া পৃথিৱীৰ বেঁকা পথ’ নামৰ গল্পৰ যোগেদি অসমীয়া গল্প সাহিত্যৰ ক্ষেত্ৰত এক নতুন মনোবৈজ্ঞানিক দৃষ্টিভংগীৰ সূচনা হৈছিল। মানুহে কিয় ভাল পাই এই প্ৰশ্নৰ উত্তৰত গল্পটিত কোৱা হৈছে, “ভাল নাপালে

মানুহৰ মানসিক মৃত্যু হয়। মানুহৰ আত্মাই সদায় বিচাৰে বিস্তৃতি। এই বিস্তৃতিক আঁকোৱালি ধৰিবলৈ যাওঁতে সি পায় মানুহ, সি পায় ব্ৰহ্মাণ্ড, সি পায় ঈশ্বৰ।" ইয়াৰ বাহিৰেও কৃষ্ণ ভূঞাৰ 'প্ৰগতি আৰু প্ৰকৃতি', হৰগোবিন্দ শৰ্মাৰ 'কাৰ বাবে দিলা এনে আত্ম বলিদান', ৰুদ্ৰনাথ দেৱশৰ্মাৰ 'কবিৰাজ', গোলোকচন্দ্ৰ শৰ্মাৰ 'চণ্ডিকা' লক্ষ্মীনাথ বেজবৰুৱাৰ 'পাটমুগী', জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'ৰূপহী' আদি ভালেমান প্ৰসিদ্ধ গল্পকাৰৰ গল্পই 'বাঁহী'ক পৰিপুষ্ট কৰিছে। অসমীয়া গল্প-সাহিত্যৰ প্ৰসাৰ আৰু প্ৰচাৰত এই গল্পবোৰৰ সংযোজন নিশ্চয় গুৰুত্বপূৰ্ণ।

**২.৩ নাটক, উপন্যাস ঃ**

গল্প আৰু কবিতাৰ তুলনাত বাঁহীত নাটক আৰু উপন্যাস কমকৈ প্ৰকাশ পাইছিল। অসমীয়া উপন্যাসৰ আৰম্ভণি কালৰ এক উল্লেখযোগ্য সৃষ্টি শৰৎচন্দ্ৰ গোস্বামীৰ 'পানীপথ' উপন্যাস 'বাঁহী'তে প্ৰকাশ পাইছিল। নাটকৰ ক্ষেত্ৰত 'নীলাঞ্জন' গীতি-নাট, 'মগলু-কুঁৱৰী' নাটিকা, 'বাৰেমতৰা' অংকীয়া নাটৰ যোগেদি বাঁহীয়ে অসমীয়া নাট্য-সাহিত্যলৈ বৰঙণি আগবঢ়াই গৈছে।

**২.৪ গীতি-সাহিত্য ঃ**

অসমীয়া গীতি-সাহিত্যৰ সমৃদ্ধিতো বাঁহীয়ে অৱদান আগবঢ়াই গৈছে। কৃপাবৰ, বিষ্ণুৰাভা, আনন্দচন্দ্ৰ বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, ৰামচন্দ্ৰ দাস, অপূৰ্বচন্দ্ৰ বৰদলৈ, ৰঘুনাথ হাজৰিকা আদি গীতিকাৰৰ গীতে অসমীয়া গীতি-সাহিত্যৰ ভৰাল চহকী কৰি থৈ গৈছে। 'বাঁহী'ৰ পাততে প্ৰকাশিত লক্ষ্মীনাথ বেজবৰুৱাৰ 'অ' মোৰ আপোনাৰ দেশ' গীতটিয়েই অসমীয়া জাতীয় সংগীতৰূপে স্বীকৃতি লাভ কৰে। মৌলিক গীতৰ উপৰিও বনগীত, টোকাৰীগীত, বিহুগীত, সতী জয়মতীৰ গীত আদি লোকগীতৰ সংগ্ৰহ, প্ৰকাশ, প্ৰচাৰ কৰাটো 'বাঁহী'ৰ উল্লেখনীয় দিশ। অৰ্থাৎ বাঁহীয়ে কেৱল সৃষ্টিশীল ৰচনা প্ৰকাশতে গুৰুত্ব দিয়া নাছিল, অসমীয়া লোকসাহিত্যৰ সংগ্ৰহ আৰু সংৰক্ষণৰ ক্ষেত্ৰতো বাঁহীয়ে ভূমিকা গ্ৰহণ কৰিছিল।

**২.৫ হাস্য-ব্যংগ সাহিত্য ঃ**

কৃপাবৰৰূপী লক্ষ্মীনাথ বেজবৰুৱাই খুহুতীয়া কথাৰে লিখা বিভিন্ন ৰচনা 'বাঁহী'ৰ অন্যতম আকৰ্ষণ আছিল। বেজবৰুৱাই অসমীয়াৰ আৱৰ্জনা, ভণ্ডামি, কুসংস্কাৰ, অবিশ্বাস, মিছা ভেম আদি নিৰ্মূল কৰি সমাজ সংস্কাৰৰ উদ্দেশ্যে 'বাঁহী'ত ভালেমান প্ৰবন্ধ, কবিতা আদি প্ৰকাশেৰে অসমীয়া ব্যংগ সাহিত্যক পৰিপূৰ্ণ কৰি থৈ গৈছে।

**২.৬ অনুবাদ সাহিত্য ঃ**

আধুনিক অসমীয়া অনুবাদ সাহিত্যইও বাঁহীত পৰিপুষ্টি লাভ কৰিছিল। কবিতা, গল্পৰ অনুবাদে বাঁহীত সমাদৰ লাভ কৰিছিল। শ্বেলী, বাইৰন আদি বিদেশী কবিৰ কবিতাৰ অসমীয়া অনুবাদে বাঁহীক

সমৃদ্ধ কৰিছিল। দেবেশ্বৰ চলিহাই কৰা শ্যেলীৰ 'To a skylark'ৰ অসমীয়া ভাঙনি 'স্কাইলাৰ্ক' ৬ষ্ঠ বছৰ ১ম সংখ্যাত প্ৰকাশিত হৈছিল। তৰুণৰাম ফুকনৰ বাঁহীৰ ২য় বছৰ ১ম সংখ্যাত প্ৰকাশিত 'তেওঁলৈ' কবিতাটি Gatullers ৰ আৰ্হি লৈ Byron-এ Ellen-লৈ লিখা কবিতাৰ ভাঙনি। তৰুণৰাম ফুকনে মুছলমানৰ আদি স্তুতি আল্‌হাম দুল্লিলাৰ ভাঙনি 'স্তুতিমালা'ৰ অনুবাদ ঈশস্তুতি' নামেৰে কৰিছে। এনে অনুবাদে অসমীয়া পাঠকক এই বিষয়টিৰ লগত পৰিচয় কৰাই দিছিল। সেইদৰে যতীন্দ্ৰনাথ দুৱৰাই Alphouse Dandet-ৰ ছাঁ লৈ লিখা 'মোৰ শেষ পাঠ' কথা কবিতাও বাঁহীৰ বুকুত হোৱা উল্লেখনীয় অনুবাদ।

বাঁহীৰ ২৬শ বছৰ ৩য় সংখ্যাত জাপানী সাধুকথাৰ ইংৰাজী অনুবাদৰ সহায়ত লিখা 'প্ৰিয়তমৰ পূজা' প্ৰকাশ পাইছিল। ২৬শ বছৰ ১২শ সংখ্যাত প্ৰকাশিত হৈছিল লীলাদেৱীৰ মোপাঁচাৰ গল্পৰ আৰ্হিত লিখা 'সপোন নে' নামৰ গল্পটি। বাঁহীত প্ৰকাশিত অনুবাদ কৰ্মৰাজিয়ে বা বিদেশী সাহিত্যৰ আৰ্হিত লিখা সাহিত্যৰাজিয়ে বিশ্বসাহিত্যৰ জগতখনো অসমীয়া পাঠকৰ সন্মুখত উন্মুখ কৰি দিছিল।

**২.৭ সাহিত্য সমালোচনা ঃ**

অসমীয়া সাহিত্য সমালোচনাৰ ধাৰাটোকো বাঁহীয়ে বিশেষভাৱে ঋদ্ধ কৰি গৈছে। বাঁহীয়ে অসমীয়া সাহিত্য সমালোচনাৰ এক নিৰ্দিষ্ট ধাৰা প্ৰবাহিত কৰে। সমসাময়িক সময়ছোৱাত প্ৰকাশিত ভাষাবিষয়ক, কৃষিবিষয়ক, স্বাস্থ্যবিষয়ক, সংগীত, নাটক, কবিতা বিষয়ক বিভিন্ন গ্ৰন্থই বাঁহীৰ সমালোচনা শিতানত ঠাই পাইছিল। গ্ৰন্থৰ উপৰিও মাহেকিয়া পত্ৰিকা, পঞ্জিকা আদিৰো সমালোচনা বাঁহীৰ পাতত হৈছিল। অৱশ্যে কোনো কোনো গ্ৰন্থৰ সামান্য পৰিচয়হে দিয়া হৈছে। 'বাঁহী'ত 'কিতাপৰ চমু সমালোচনা', 'কিতাপৰ বিষয়ে চমু মন্তব্য', 'চমু মন্তব্য' আদি শিতানেৰে প্ৰকাশ কৰা বিভিন্ন গ্ৰন্থৰ সমালোচনাই জনসাধাৰণক গ্ৰন্থৰ সম্ভেদ দিছিল।

**২.৮ ভ্ৰমণ সাহিত্য ঃ**

অসমীয়া ভ্ৰমণ সাহিত্যৰ বিকাশতো বাঁহীয়ে অৰিহণা আগবঢ়াই গৈছে। বাঁহীৰ পাতত প্ৰকাশ পোৱা জ্ঞানদাভিৰাম বৰুৱাৰ 'বিলাতৰ চিঠি' অসমীয়া সাহিত্যৰ এক মূল্যৱান সম্পদ। অসমীয়া ভ্ৰমণ সাহিত্যৰ বিকাশৰ ক্ষেত্ৰত 'বিলাতৰ চিঠি'ৰ বিশেষ অৰিহণা আছে। লেখকে ইয়াত লিখিছে—"পৰীক্ষা পাছ কৰি শিক্ষা লয়। মনৰ শিক্ষা। মনৰ শিক্ষা বিশ্ববিদ্যালয় কি স্কুল-কলেজৰ পৰীক্ষা পাছ কৰি যে নহয় আমি এই কথা কোৱা নাই। স্কুল, কলেজ, বিশ্ববিদ্যালয় মনৰ উন্নতিৰ প্ৰধান সহায়, কিন্তু এই প্ৰধান সহায়ৰ বিনা সাহায্যতো মনৰ উন্নতি হ'ব পাৰে..যদিও সি টান কথা। ঘৰত বহিও মনৰ উন্নতি কৰা যায়। তাতকৈও, বিশ্ববিদ্যালয়ৰ পৰীক্ষা পাছ কৰি কৰাতকৈও, মনৰ উন্নতি হয় ভ্ৰমণৰ পৰা।"(বিলাতৰ চিঠি, জ্ঞানদাভিৰাম বৰুৱা, বাঁহী, ১ম বছৰ ২য় সংখ্যা,) জ্ঞানদাভিৰাম বৰুৱাই 'বিলাতৰ চিঠি'ৰ যোগেদি বিলাতৰ শিক্ষা, সংস্কৃতি, সমাজ-ব্যৱস্থা আদিৰ সম্ভেদ পঠিয়াই সমকালীন সময়ছোৱাৰ অসমীয়া মানুহৰ মনত জ্ঞানৰ

উন্মেষ ঘটাইছিল তথা ভ্ৰমণৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ প্ৰচেষ্টা চলাইছিল। দেশ ভ্ৰমণৰ জৰিয়তে হোৱা লাভালাভৰ কথাও এই সাহিত্যকৃতিত উল্লেখ কৰা হৈছে।

'বিলাতৰ চিঠি'ৰ উপৰি বাঁহীত অন্যান্য ভ্ৰমণ বিষয়ক লেখাও প্ৰকাশ পাইছিল। যেনে, বাঁহীত জ্ঞানানন্দ জগতীৰ 'মণিপুৰ যাত্ৰা' নামৰ ভ্ৰমণবিষয়ক লেখা ধাৰাবাহিকভাৱে প্ৰকাশ পাইছিল।

**২.৯ জনজাতীয় অধ্যয়ন ঃ**

জনজাতীয় বা নৃতাত্ত্বিক অধ্যয়নতো বাঁহীয়ে বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। আহোম, কলিতা, কৈৱৰ্ত, সোণোৱাল, খামতি, মিৰি, চিংফৌ আদি অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীক কেন্দ্ৰ কৰি লিখা বহু প্ৰবন্ধ বাঁহীত প্ৰকাশ পাইছিল। কাশীনাথ তালুকদাৰে বাঁহীৰ ১ম বছৰ ১১শ সংখ্যাৰপৰা ধাৰাবাহিকভাৱে লিখা প্ৰবন্ধ 'আসামৰ কলিতা জাতি' শীৰ্ষক প্ৰবন্ধত কলিতা জাতিৰ ইতিবৃত্ত প্ৰকাশ পাইছে। কলিতা জাতিৰ মূল বিচাৰ কৰিবলৈ যাওঁতে ইয়াত কায়স্থ জাতিৰ বিষয়েও আলোচনা কৰিছে। বাঁহীত ধাৰাবাহিকভাৱে প্ৰকাশিত 'সোণোৱাল জাতি' শীৰ্ষক প্ৰবন্ধত সোণোৱালসকলৰ বিষয়ে বিস্তৰ বিৱৰণ আছে। সেইদৰে প্ৰেমধৰ চলিহাৰ 'চিংফৌ খামতিৰ বুৰঞ্জী' আদি প্ৰবন্ধই জনজাতিৰ বিষয়ে জনাত সহায় কৰিছিল। লক্ষ্মীনাথ বেজবৰুৱাৰ 'আহোম' প্ৰবন্ধত আহোমসকলৰ গুৰি সম্পৰ্কে সবিশেষ বৰ্ণিত হৈছে।

**২.১০ প্ৰবন্ধ সাহিত্য**

**১. ধৰ্ম ঃ**

আধুনিক অসমীয়া সাহিত্যলৈ বাঁহীৰ আটাইতকৈ উল্লেখযোগ্য দান হৈছে শংকৰদেৱ অধ্যয়নৰ পৃষ্ঠভূমি নিৰ্মাণ। এককথাত ক'বলৈ গ'লে বাঁহীয়ে মহাপুৰুষ শংকৰদেৱক পুনৰ সঞ্জীৱিত কৰি তোলে। 'মহাপুৰুষীয়া ধৰ্মৰ বৈশিষ্ট্য', 'মহাপুৰুষ শংকৰদেৱৰ হৰিনাম কীৰ্তন তত্ত্ব', 'শ্ৰীমন্ত শংকৰ প্ৰচাৰিত বৈষ্ণৱ ধৰ্ম', 'কুৰি শতিকাত শ্ৰীমন্ত শংকৰ', 'শংকৰী সাহিত্যৰ বৈশিষ্ট্য' আদি 'বাঁহী'ত প্ৰকাশিত প্ৰবন্ধই শ্ৰীমন্ত শংকৰ বিষয়ক এক সুস্থ চিন্তাধাৰাৰ প্ৰৱৰ্তন কৰে। এককথাত ক'বলৈ গ'লে বাঁহীৰ জৰিয়তে মহাপুৰুষ শংকৰদেৱক জাতীয় গুৰুৰূপে প্ৰতিষ্ঠা কৰাত সম্পাদক বেজবৰুৱাৰ কৃতিত্ব চিৰস্থায়ী। বাঁহীত প্ৰকাশ পোৱা বেজবৰুৱাৰ 'কৃষ্ণকথা', 'তত্ত্বকথা' আদি গভীৰ জ্ঞান আৰু চিন্তাযুক্ত প্ৰবন্ধাৱলীয়ে বৈষ্ণৱ ধৰ্মৰ বিভিন্ন দিশ পোহৰলৈ আনে।

**২. ৰাজনীতি ঃ**

বাঁহীত ৰাজনীতি বিষয়ক প্ৰবন্ধও প্ৰকাশ পাইছিল। 'এদিনীয়া শাসন', 'অৰাষ্ট্ৰবাদ', 'অৰ্থনৈতিক অৰাষ্ট্ৰবাদ' আদি ৰাজনীতি বিষয়ক প্ৰবন্ধ প্ৰকাশৰ জৰিয়তে 'বাঁহী'য়ে এই দিশটোলৈ অৰিহণা আগবঢ়াইছিল।

**৩. ব্যক্তি আৰু ব্যক্তিত্ব ঃ**

'বাঁহী'ত বিভিন্ন বৰেণ্য ব্যক্তিৰ ব্যক্তিত্বৰ কথা প্ৰকাশ পাইছিল। আনন্দৰাম বৰুৱা, হৰিবিলাস

আগৰৱালা, দামোদৰদেৱ, কনকলাল বৰুৱা, হেমচন্দ্ৰ বৰুৱা আদিৰ দৰে অসমীয়া সমাজ-সংস্কৃতি-সাহিত্যলৈ বৰঙণি আগবঢ়োৱা ব্যক্তিসকলৰ ব্যক্তিত্বৰ কথা 'বাঁহী'য়ে প্ৰকাশ কৰিছিল। ইয়াৰ জৰিয়তে বাঁহীয়ে জনসাধাৰণৰ মনত প্ৰেৰণাৰ সঞ্চাৰ কৰিছিল আৰু আদৰ্শৰ বীজ ৰোপন কৰিছিল।

এইবোৰৰ বাহিৰেও বাঁহীৰ পাতত অন্যান্য মূল্যৱান প্ৰবন্ধ প্ৰকাশ হৈছিল। 'অসমীয়া সাহিত্যত আজান ফকিৰৰ প্ৰতিভা', 'বেজবৰুৱাৰ সাহিত্য প্ৰতিভা', 'জ্যোতিপ্ৰকাশ', 'আধুনিক সাহিত্যত বুদ্ধিশক্তিৰ অগ্নিপ্ৰয়োগ', 'অসমীয়া গীতা', 'শংকৰদেৱৰ ৰচনাৱলীত সৌন্দৰ্য-প্ৰকাশ', 'ৰবীন্দ্ৰনাথৰ কাব্য আৰু কাব্যতত্ত্ব', 'বৰগীত', 'মোৰ মাতৃমুখ দৰ্শন' আদি বাঁহীত প্ৰকাশিত সাহিত্য বিষয়ক প্ৰবন্ধৰ মূল্য আজিও ম্লান হোৱা নাই। তেনেদৰে সংস্কৃতি, বুৰঞ্জী, ধৰ্ম, দৰ্শন আদি সকলো বিভাগতে 'বাঁহী'য়ে অৱদান আগবঢ়াইছিল। বাঁহীয়ে এহাতে যেনেকৈ সাহিত্যৰ জৰিয়তে মানসিক শ্ৰীবৃদ্ধি ঘটাইছিল, আনহাতে বিজ্ঞান-স্বাস্থ্য সম্পৰ্কীয় ৰচনাৰ প্ৰকাশৰ জৰিয়তে শাৰীৰিক সুস্থতাৰ প্ৰতিও উপদেশ-পৰামৰ্শ আগবঢ়াইছিল। তদুপৰি সেই সময়ত কানিৰ গ্ৰাসত পৰি জুৰুলা হোৱা অসমীয়া সমাজখনক উদ্ধাৰ কৰিবলৈ 'বাঁহী'য়ে 'কানিৰ প্ৰতিকাৰ' শীৰ্ষক বিজ্ঞাপনো প্ৰচাৰ কৰিছিল। অৰ্থাৎ সমাজ-সংস্কাৰৰ দিশতো 'বাঁহী'য়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল।

**৩.০ নতুন লেখক সৃষ্টিত 'বাঁহী'ৰ অৱদান**

অসমীয়া ভাষা-সাহিত্যলৈ বাঁহীয়ে বিশেষ অৱদান আগবঢ়োৱাৰ সমান্তৰালভাৱে এচাম নতুন লেখক সৃষ্টিতো বিশেষ অৰিহণা আগবঢ়াইছিল। বাঁহীয়ে ভাষা-সাহিত্যৰ ভঁৰাল ওপচাই পেলাবলৈ কেৱল এচাম মাত্ৰ লিখকৰ ওপৰত নিৰ্ভৰ নকৰি নতুন লেখক সৃষ্টিৰ প্ৰতিও বিশেষ দায়িত্বশীল আছিল। প্ৰবীন-নবীন সকলো লিখকৰ বাবেই বাঁহীৰ দুৱাৰ আছিল সদায় উন্মুখ। বিশেষকৈ নতুন লিখকক 'বাঁহী'ৰ পাতত আত্মপ্ৰকাশৰ সুবিধা দি এচাম পৈণত আৰু আত্মপ্ৰত্যয়শীল লিখকৰ সৃষ্টি কৰাত বাঁহীয়ে যথেষ্ট গুৰুত্ব আৰোপ কৰিছিল। বাঁহীত সন্নিবিষ্ট বিজ্ঞাপনতে ইয়াৰ উল্লেখ আছে—"ন লেখাৰুসকললৈ 'বাঁহী'ৰ দুৱাৰ সদায় মুকলি। লিখকসমাজ গঢ়ি তোলাটোৱেই বাঁহীৰ গৌৰব।" কেতিয়াবা ন-লিখকৰ লিখনী 'বাঁহী'ত প্ৰকাশ নাপালে সম্পাদক বেজবৰুৱা ভাবুকিৰো সন্মুখীন হ'বলগীয়া হৈছিল। মুঠৰ ওপৰত ন-পুৰণি লেখকৰ সমাহাৰেৰে 'বাঁহী'য়ে অসমীয়া ভাষা-সাহিত্যৰ উত্তৰণত অনন্য ভূমিকা লৈছিল।

**৩.১ মহিলা লেখকৰ উত্থানত বাঁহীৰ ভূমিকা ঃ**

বাঁহীয়ে নাৰী জাতিৰ উন্নতিৰ প্ৰচেষ্টাত ব্ৰতী হৈ সাহিত্য-সংস্কৃতিৰ মজিয়ালৈ তেওঁলোকক উলিয়াই আনিছিল। প্ৰজ্ঞাসুন্দৰী দেৱী, ৰত্না দেৱী, অন্নদাদেৱী বৰকটকী, আজলীতৰা নেওগ, লক্ষ্মীপ্ৰিয়া দাস, ৰত্নাৱলী দেৱী, বসন্তলতা হাজৰিকা, স্নেহলতা ভট্টাচাৰ্য, চন্দ্ৰপ্ৰভা শইকীয়ানী আদি লেখিকাসকলৰ প্ৰতিভা বিকাশত বাঁহীয়ে সহায় কৰিছিল। ক'ব পাৰি যে 'বাঁহী'য়ে মহিলা লেখকৰ ক্ষেত্ৰত বিশেষ ভূমিকা লৈছিল।

### ৩.০ উপসংহাৰ

আলোচনী-সংবাদ-পত্ৰই সকলো দেশতে ভাষা-সাহিত্যৰ যুগমীয়া প্ৰচাৰ আৰু প্ৰতিষ্ঠাত অৰিহণা যোগাই আহিছে। আধুনিক অসমীয়া সাহিত্যৰ বিকাশ আৰু সমৃদ্ধিতো আলোচনীয়ে যুগান্তকাৰী ভূমিকা পালন কৰা দেখা যায়। আধুনিক অসমীয়া সাহিত্যৰ ভেটি নিৰ্মাণত বিশেষ অৰিহণা আগবঢ়োৱা দুই-এক আলোচনীৰ নামেৰে কোনো কোনো আলোচকে আধুনিক অসমীয়া সাহিত্যৰ যুগ নিৰ্মাণ কৰাও দেখা গৈছে। আধুনিক অসমীয়া সাহিত্যৰ বিকাশত 'বাঁহী' আলোচনীৰ ভূমিকা সম্পৰ্কীয় আলোচনাৰপৰা দেখা যায় যে অসমীয়া ভাষা-সাহিত্যৰ আটাইবোৰ দিশকে বাঁহীয়ে সমৃদ্ধ কৰিছিল। নতুন লেখক সৃষ্টিৰ প্ৰতি বাঁহীয়ে বিশেষ গুৰুত্ব দিছিল। প্ৰবীণ-নবীন সকলো লেখকৰ বাবেই বাঁহীৰ দুৱাৰ উন্মুখ আছিল। বিশেষকৈ নতুন লেখকক বাঁহীৰ পাতত আত্মপ্ৰকাশৰ সুবিধা দি এচাম পৈণত আৰু আত্মনিৰ্ভৰশীল লেখকৰ সৃষ্টি কৰাত বাঁহীয়ে যথেষ্ট গুৰুত্ব আৰোপ কৰিছিল। নতুন লেখক সৃষ্টিৰ লগতে আধুনিক অসমীয়া ভাষাই এটা শুদ্ধ ৰূপ পৰিগ্ৰহ কৰাৰ ক্ষেত্ৰত বাঁহীয়ে বিশেষ উদগনি আগবঢ়াইছিল। গল্প, কবিতা, উপন্যাস আদি সৃষ্টিশীল সাহিত্যৰ প্ৰকাশেৰে 'বাঁহী'য়ে আধুনিক অসমীয়া সাহিত্যক এক সবল ৰূপ দিয়ে। বাঁহীত প্ৰকাশিত সাহিত্যসমূহে কেৱল পাঠকক মনোৰঞ্জনেই প্ৰদান কৰা নাছিল, সামাজিক নৈতিকতাৰ আদৰ্শও দাঙি ধৰিছিল। কেৱল সৃষ্টিশীল ৰচনা প্ৰকাশতে 'বাঁহী'য়ে গুৰুত্ব দিয়া নাছিল, অসমীয়া লোকসাহিত্যৰ সংগ্ৰহ আৰু সংৰক্ষণৰ ক্ষেত্ৰতো বাঁহীয়ে ভূমিকা গ্ৰহণ কৰিছিল। তদুপৰি বিভিন্ন বিদেশী গল্প, কবিতাৰ অসমীয়া অনুবাদ প্ৰকাশেৰে অসমীয়া পাঠকক বিশ্বসাহিত্যৰ সৈতে পৰিচয় কৰোঁৱাতো বাঁহীয়ে বিশেষ ভূমিকা পালন কৰিছিল। ❑


**সহায়ক গ্ৰন্থপঞ্জী ঃ**

গোস্বামী, যতীন্দ্ৰনাথ (সংক.) ঃ *বাঁহী,* প্ৰথম খণ্ড (প্ৰথম বছৰ আৰু দ্বিতীয় বছৰ), অসম সাহিত্য সভা, প্ৰথম প্ৰকাশ, জানুৱাৰী, ২০০১

ডেকা, নমিতা(সম্পা.) ঃ *বাঁহীৰ পাতত চিন্তাৰ ৰেঙণি*

তামুলী, লক্ষ্মীনাথ (সংক. আৰু সম্পা.) ঃ *বাঁহী,* গুৱাহাটী-০২১, অসম প্ৰকাশন পৰিষদ, প্ৰথম প্ৰকাশ, মাৰ্চ, ২০০৫

শইকীয়া, চন্দ্ৰপ্ৰসাদ (সম্পা.) ঃ *অসমৰ বাতৰি কাকত-আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস,* গুৱাহাটী, অসমৰ বাতৰি কাকতৰ ডেৰশ বছৰীয়া জয়ন্তী উদ্‌যাপন সমিতি, প্ৰথম প্ৰকাশ, ১৯৯৮ চন

**গৱেষণা গ্ৰন্থ ঃ**

গগৈ, য়াছিংফা ঃ *আধুনিক অসমীয়া সাহিত্যৰ বিকাশত 'বাঁহী' আলোচনীৰ ভূমিকা,* অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ২০০৯-১০ বৰ্ষ

বৰুৱা, জুনমণি ঃ *অসমত ভাষাতাত্ত্বিক চিন্তা-চৰ্চাৰ প্ৰথম পৰ্ব আৰু অসমীয়া আলোচনী (অৰুণোদই, আসাম-বন্ধু, জোনাকী, ঊষা আৰু বাঁহী আলোচনীৰ বিশেষ উল্লেখেৰে),* অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ২০০৯-১০ বৰ্ষ


xxx